**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 12-11-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি লোকসেৱা ভৱনত ৰাজ্য চৰকাৰৰ কৰ্মচাৰীৰ বাবে শূন্য ব্যয় বীমা আঁচনি মুকলি কৰে। মুখ্যমন্ত্ৰীয়ে আজি ৭ টা পৰিয়ালক বীমা আঁচনিৰ চেক প্ৰদান কৰে। ইয়াৰে ৪ টা পৰিয়ালক ব্যক্তিগত দুৰ্ঘটনাজনিত বীমা আঁচনিৰ অধীনত এক কোটি টকা, দুটা পৰিয়ালক ম্যাদী জীৱন বীমাৰ অধীনত ১০ লাখ টকা আৰু এটা পৰিয়ালক ব্যক্তিগত দুৰ্ঘটনাজনিত বীমা আঁচনিৰ অধীনত ৭৫ লাখ টকা প্ৰদান কৰা হয়। স্থায়ী কৰ্মচাৰীসকলৰ উপৰি ঠিকাভিত্তিক আৰু ৰাজ্য চৰকাৰৰ ৰাজহুৱা খণ্ডৰ কৰ্মচাৰীসকলকো এই আঁচনিত সামৰি লোৱাৰ উদ্দেশ্যে আজিৰ এই অনুষ্ঠানতে চৰকাৰে এক্সিচ বেংকৰ সৈতে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° শৰ্মাই এই আঁচনিখনৰ বিভিন্ন ইতিবাচক দিশ সন্দৰ্ভত আলোকপাত কৰে।

**বাইট - মুখ্যমন্ত্ৰী**

০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত এটা অনুষ্ঠানত দিছপুৰ, মধ্য গুৱাহাটী আৰু নিউ গুৱাহাটী বিধানসভা সমষ্টিৰ মুঠ ১৭ হাজাৰ ৬৮০ গৰাকী আত্মসহায়ক গোটৰ সদস্যাৰ মাজত মহিলা উদ্যমিতা অভিযানৰ অধীনত চেক বিতৰণ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰী অনুসূচিত জাতি অভ্যুদয় যোজনা চমুকৈ পি এম অজয়ৰ অধীনত ৰাজ্যৰ অনুসূচীত জাতিৰ মহিলা আত্মসহায়ক গোটক দক্ষতা বিকাশ আৰু উদ্যমিতাৰ সুযোগ প্ৰদানৰ অৰ্থে ৫০ হাজাৰ টকাকৈ চেক বিতৰণ কাৰ্যসূচীৰো শুভাৰম্ভ কৰে। এই যোজনাৰ অধীনত অনুসূচীত জাতিৰ ১২ হাজাৰ পৰিয়াল আৰু আত্মসহায়ক গোট উপকৃত হ'ব। এই উপলক্ষে দিয়া ভাষণত মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্য চৰকাৰে নাৰী সবলীকৰণৰ দিশত অসমক এখন আদৰ্শ ৰাজ্য হিচাপে নিৰ্মাণ কৰিবলৈ সক্ষম হৈছে বুলি মন্তব্য কৰে। তেওঁ কয় যে বিভিন্ন কল্যানকামী আঁচনিসমূহৰ উপৰি বাল্যবিবাহ ৰোধ, মহিলাৰ বিৰুদ্ধে হোৱা অপৰাধ ৰোধ আদিৰ ক্ষেত্ৰতো ৰাজ্য চৰকাৰে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে। মহিলাসকলে যাতে পৰিয়াল তথা সমাজত সন্মানেৰে জীয়াই থাকিব পাৰে আৰু কোনো মহিলা যাতে শিক্ষাৰ পৰা বঞ্চিত নহয়, তাৰ বাবে চৰকাৰে মহিলা সবলীকৰণৰ দিশত বিশেষভাৱে গুৰুত্ব আৰোপ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

ড° শৰ্মাই লগতে কয় যে গুৱাহাটী মহানগৰীৰ বাণিজ্যৰ বাবে উপযুক্ত স্থানসমূহত ব্যৱসায়ৰ অনুমতি প্ৰদানৰ ক্ষেত্ৰত মহিলা আত্মসহায়ক গোটক অগ্ৰাধিকাৰ দিয়াৰ বাবে নীতি প্ৰস্তুত কৰিবলৈ গুৱাহাটী পৌৰ নিগমক নিৰ্দেশ দিয়া হৈছে।

০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই জনজাতীয় লোকসকলক নিজৰ শিপাৰ সৈতে বান্ধ খাই থাকি নিজস্ব পৰিচয় অটুত ৰাখিবলৈ আহ্বান জনাইছে। জনজাতীয় গৌৰৱ বৰ্ষ পযেকৰ সৈতে সংগতি ৰাখি আজি সোণাপুৰৰ পাটৰকুছিত নৱনিৰ্মিত 'সোণোৱাল ভৱন' উদ্বোধন কৰি দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে এইকথা প্ৰকাশ কৰে। উল্লেখযোগ্য যে ভৈয়াম জনজাতি পৰিক্ৰমা বিভাগৰ অধীনত সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদে ৭ কোটি ৩ লাখ টকা ব্যয় সাপেক্ষে এই ভৱনটো নিৰ্মাণ কৰি উলিয়াইছে। চাৰিমহলীয়া এই ভৱনটো সোণোৱাল কছাৰী সমাজৰ ভাষা, সাহিত্য, সংস্কৃতিকে ধৰি সামগ্ৰিক কল্যাণ সাধনৰ বাবে ব্যৱহৃত হ'ব। এই ভৱনে জনগোষ্ঠীটোৰ লোকসকল তথা ছাত্ৰ-ছাত্ৰীসকলক বিশেষকৈ উপকৃত কৰিব বুলি আশা কৰা হৈছে।

মুখ্যমন্ত্ৰীয়ে তেওঁৰ ভাষণত জনজাতীয় লোকৰ ধৰ্ম, পৰম্পৰা, সংস্কৃতি, খাদ্যাভ্যাস আদি সংৰক্ষণৰ ক্ষেত্ৰত বিৰচা মুণ্ডাৰ জীৱনযোৰা সংগ্ৰামৰ কথা উল্লেখ কৰে। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে জনজাতীয় লোকৰ সভ্যতা, সংস্কৃতিক আগুৱাই লৈ যোৱাৰ বাবে বিভিন্ন পৰিকল্পনা হাতত লৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে ৰাজ্য চৰকাৰে ভৈয়াম জনজাতি বিভাগৰ সমান্তৰালভাৱে খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতিৰ উত্থান, সংৰক্ষণ আৰু সংবৰ্ধনৰ বাবেও বিশেষ প্ৰয়াস চলাইছে।

০০০০

অসম ৰাজ্যিক মহিলা আয়োগৰ এটা দলে আজিৰে পৰা ৪ দিনীয়া কাৰ্যসূচীৰে গুৱাহাটীৰ পৰা মৰিগাওঁ হৈ বিশ্বাস যাত্ৰা আৰম্ভ কৰিছে। আমাৰ মৰিগাওঁৰ সংবাদদাতাই জনোৱা মতে, আয়োগৰ অধ্যক্ষা আঙুৰলতা ডেকাৰ নেতৃত্বত ১২ গৰাকী মহিলাৰ এটা দলে বাইক চলাই আজি জিলাখনত উপস্থিত হয়। মৰিগাওঁ জিলা আয়ুক্ত অনামিকা তিৱাৰীয়ে তেওঁলোকক আদৰণি জনায়। ৰাজ্যৰ গ্ৰামাঞ্চলৰ মহিলাসকলক তেওঁলোকৰ অধিকাৰ সন্দৰ্ভত সজাগ কৰাৰ বাবে এই বিশ্বাস যাত্ৰা শীৰ্ষক বাইক ৰেলীৰ আয়োজন কৰা হৈছে বুলি শ্ৰীমতী ডেকাই সাংবাদিকৰ আগত প্ৰকাশ কৰে।

০০০০

**ঃঃ সমাপ্ত ঃঃ**